# অসম আদিত্য

২৯ জেঠ, ১৯৪৬ শক ■ বুধবাৰ, ১২ জুন, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, June 12, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে আলোচনা শংকৰদেৱ সংঘৰ

ডিব্ৰুগড়, ১১ জুন ঃ মানুহে নিজৰ মনৰ কথা আনক কোৱা বা আনৰ কথা শুনাৰ লগতে ইজনে সিজনৰ বিষয়ে জনাত সহায় কৰিবলৈ হ'লে আলোচনা হোৱাটো অতি গুৰুত্বপূৰ্ণ কথা। আপুনি আপোনাৰ দৃষ্টিভংগীৰে সকলো কথা আলোচনাত দাঙি ধৰিব পাৰে। আপোনাৰ কথাবিলাক আলোচনাত গ্ৰহণযোগ্য হ'ব বা নহ'বও পাৰে। কিন্তু আলোচনাৰ মাজেৰে সকলোবিলাক সমস্যা সমাধান কৰিব পাৰে। উক্ত বাক্যশাৰীকে সাৰোগত কৰি আজি ডিব্ৰুগড় জিলা সাহিত্য শাখাৰ সভাপতি ব্ৰজানন্দ ভুঞা, সম্পাদক, তোবেশ্বৰ ধাদুমীয়া, ডিব্ৰুগড় আঞ্চলিক শাখা সম্পাদক (সাহিত্য) প্ৰশান্ত শইকীয়া আৰু ডিব্ৰুগড় আঞ্চলিক শাখাৰ সন্মানীয় সভাপতি নৰেন্দ্ৰ মহেলাৰ বাপৰ নেতৃত্বত এটি সঁজাতী দলে ডিব্ৰুগড় শাখা সাহিত্য সভাৰ সভাপতি, অসম সত্ৰ মহাসভাৰ সভাপতি, কৰ্মসূৰ্য বঁটাৰে সন্মানিত, বিশিষ্ট লেখক, সাহিত্যিক, শিক্ষাবিদ তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ লগত এক সৌহাৰ্দ্য পূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাৰ আৰম্ভণিতে জিলা সাহিত্য শাখাৰ সম্পাদক তোবেশ্বৰ ধাদুমীয়া বাপে এখন ফুলাম গামোচাৰে ড০ শশীকান্ত শইকীয়াক সন্মান জনায়। ডিব্ৰুগড় আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক প্ৰশান্ত শইকীয়াই আঁত ধৰা অনুষ্ঠানত মুখ্য বিষয়সমূহৰ ওপৰত বক্তব্য আগবঢ়ায় ডিব্ৰুগড় আঞ্চলিক শাখাৰ সভাপতি নৰেন্দ্ৰ মহেলা বাপ আৰু জিলা সাহিত্য শাখাৰ সভাপতি ব্ৰজানন্দ ভুঞা বাপে। আলোচনাত সমাজ জীৱনৰ প্ৰকৃত ছবি লিখিতভাৱে প্ৰকাশ কৰা তথা শংকৰী সাহিত্য, আধ্যাত্মিক আৰু ধৰ্মীয় অনুভূতিৰ প্ৰতি অতি সচেতনতাৰে বিষয়বস্তুত মৌলিকত্ব প্ৰদান কৰিব বুলি ড০ শশীকান্ত শইকীয়াই সঁজাতী দলটোক জনায়। উক্ত আলোচনাত অহা আগষ্ট মাহত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ আধ্যাত্মিকতা তথা অন্তৰংগ আলাপ শীৰ্ষক এখন উচ্চ পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব আৰু উক্ত আলোচনাত সমল ব্যক্তি হিচাপে দিল্লী আৰু গুৱাহাটীৰ লগতে সংঘৰ জিলা আৰু মূলৰ বিষয়ববীয়াসকলো উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।